জনসংযোগ, অসম প্ৰেছ বাৰ্তা নংঃ ১৯১

# ব্যৱহাৰকাৰীৰ বাবে সুবিধাজনক ভোটাৰ পঞ্জীয়ন প্ৰ-পত্ৰৰ শুভ উদ্বোধন কৰিলে মুখ্য নিৰ্বাচনী বিষয়াই

**গুৱাহাটী, ১ আগষ্ট ঃ** ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া নীতিন খাড়েয়ে আজি গুৱাহাটীত এক অনুষ্ঠানত দেশৰ নিৰ্বাচন আয়োগে ব্যৱহাৰকাৰীৰ সুবিধাৰ্থে নতুনকৈ প্ৰস্তুত কৰি উলিওৱা ভোটাৰ পঞ্জীয়ন প্ৰ-পত্ৰসমূহৰ শুভ উদ্বোধন কৰে। গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত আৰু কামৰূপ মহানগৰ নিৰ্বাচনী জিলাৰ সহযোগত অনুষ্ঠিত এক ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত আজিৰে পৰা কাৰ্যকৰী হোৱাকৈ এই ভোটাৰ পঞ্জীয়ন প্ৰ-পত্ৰসমূহ উদ্বোধন কৰা হয়। উল্লেখ্য যে এই নতুন প্ৰ-পত্ৰযোগে ভোটাৰ তালিকাত নাম পঞ্জীয়নৰ বাবে আবেদনৰ সময়ত আধাৰ কাৰ্ডৰ সৱিশেষ দাখিলৰ ব্যৱস্থা থাকিব। ই ভোটাৰ পৰিচয় পত্ৰৰ সৈতে আধাৰ কাৰ্ড সংযোগ কৰাৰ সুবিধা প্ৰদান কৰিব।

আজি এই নতুন ভোটাৰ পঞ্জীয়ন প্ৰ-পত্ৰৰ শুভাৰম্ভ কৰি ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া নীতিন খাড়েয়ে কয় যে ভাৰতৰ নিৰ্বাচন আয়োগে ভোটাৰ ৰাইজৰ সুবিধা হোৱাকৈ সময়ে সময়ে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। এনে পদক্ষেপৰ অংশ হিচাবে ভোটাৰ তালিকাত ভোটাৰৰ নাম পঞ্জীয়নৰ সময়ত ব্যৱহাৰ হোৱা প্ৰ-পত্ৰ সংশোধন কৰি তাত আবেদনকাৰীয়ে আধাৰ নম্বৰ উল্লেখ কৰিব পৰাৰ ব্যৱস্থা ৰখা হৈছে। ই ভোটাৰ তালিকাত 'এজন ভোটদাতা, এটা ভোট' ব্যৱস্থা অৰ্থাৎ ভোটাৰ তালিকাত এজন ভোটাৰৰ নাম যাতে একাধিকবাৰ অন্তৰ্ভুক্ত নহয়, সেয়া নিশ্চিত কৰিব। অৱশ্যে আধাৰ কাৰ্ডৰ সৱিশেষ প্ৰদান কৰা-নকৰাতো সম্পূৰ্ণ স্বেচ্ছামূলক বুলি উল্লেখ কৰি আধাৰ কাৰ্ড নথকা ভোটাৰসকলে বা আধাৰ কাৰ্ডৰ সৱিশেষ দিব নিবিচৰাসকলে ভোটাৰ পঞ্জীয়নত কোনো অসুবিধাৰ সন্মুখীন নহয় বুলিও মুখ্য নিৰ্বাচনী বিষয়া খাড়েয়ে উল্লেখ কৰে।

অনুষ্ঠানত তেওঁ অধিক সংখ্যক যুৱক-যুৱতীয়ে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰাত সুবিধা হোৱাকৈ নিৰ্বাচন আয়োগে জনপ্ৰতিনিধিত্ব আইন আৰু ভোটাৰ পঞ্জীয়ন আইনত সংশোধন কৰি নাম পঞ্জীয়নৰ বাবে তিনিটা নতুন ভিত্তি তাৰিখ নিৰ্ধাৰণ কৰিছে বুলি জানিবলৈ দিয়ে। উল্লেখ্য যে পূৰ্বৰ বৰ্ষসমূহত নিৰ্বাচন আয়োগে ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনীৰ সময়ত ভিত্তি বৰ্ষৰ কেৱল ১ জানুৱাৰীৰ দিনটোত ১৮ বছৰ সম্পূৰ্ণ হোৱাসকলকহে ভোটাৰ তালিকাত নাম পঞ্জীয়নৰ সুবিধা প্ৰদান কৰিছিল যদিও এতিয়াৰে পৰা ১ জানুৱাৰীৰ উপৰি ১ এপ্ৰিল, ১ জুলাই আৰু ১ অক্টোবৰত ১৮ বছৰ সম্পূৰ্ণ হোৱাসকলেও ভোটাৰ তালিকাত নাম পঞ্জীয়নৰ বাবে আবেদন জনাব পাৰিব বুলি উল্লেখ কৰে। ইয়াৰ ফলত ১৮ বছৰ সম্পূৰ্ণ নোহোৱাসকলেও আগতীয়াকৈ নাম পঞ্জীয়নৰ বাবে আবেদন কৰিব পাৰিব আৰু যোগ্যতা অৰ্জনৰ তাৰিখৰ পিছত তেওঁলোকক স্বয়ংক্ৰিয়ভাৱে ভোটাৰ ফটো পৰিচয় পত্ৰ প্ৰদান কৰা হ'ব বুলিও নীতিন খাড়েয়ে উল্লেখ কৰে।

একেদৰে সভাত তেওঁ নিৰ্বাচন আয়োগে ছাৰ্ভিচ ভোটাৰসকলৰ বাবে থকা প'ষ্টেল বেলটৰ ক্ষেত্ৰতো কিছু সাল-সলনি কৰিছে বুলি উল্লেখ কৰে। যুটীয়া মুখ্য নিৰ্বাচনী বিষয়া লক্ষীনন্দন চহৰীয়া আৰু এমিলি বৰুৱাও উপস্থিত থকা আজিৰ অনুষ্ঠানত ই আৰ অ',এ ই আৰ অ', বি এল অ', ছুপাৰভাইজাৰসকল আৰু বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

**সু.মি.ক./প্ৰ.কু.দ/০১-০৮-২০২২**